# Telephone Conversation between PM and Prime Minister of Bhutan

April 16, 2020

## প্ৰধানমন্ত্ৰীৰ ভূটানৰ প্ৰধানমন্ত্ৰীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 16, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ভূটানৰ প্ৰধানমন্ত্ৰী (লিয়নচেন) মাননীয় ড. লোটে ছেৰিঙৰ সৈতে টেলিফোনযোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ক'ভিড-19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা আঞ্চলিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে আৰু ইয়াৰ প্ৰভাৱ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে দুয়োখন দেশৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে তথ্য আদান প্ৰদান কৰে।

ভূটানত এই ক'ভিড-19ৰ সংক্ৰমণ ৰোধৰ বাবে ভূটানৰ ৰজা আৰু প্ৰধানমন্ত্ৰী ড. ছেৰিঙে যি দৰে সমূখৰ পৰা নেতৃত্ব দিছে, সেই প্ৰয়াসক প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰশংসা কৰে।

ড. ছেৰিঙে আঞ্চলিক পৰ্যায়ত প্ৰধানমন্ত্ৰী মোডীয়ে ক'ভিড প্ৰতিৰোধী সহযোগিতাত যিদৰে নেতৃত্ব দিছে আৰু লগতে ভাৰতৰ দৰে বৃহত দেশ এখনে ক'ভিড-19 মহামাৰীৰ বিৰুদ্ধে সফলতাৰে যুঁজ দিয়াৰ কাৰণে তেখেতৰ প্ৰশংসা কৰে।

15 মাৰ্চত ছাৰ্ক দেশসমূহৰ নেতাসকলৰ মাজত গৃহীত বিশেষ ব্যৱস্থাসমূহৰ ৰূপায়নৰ যি অগ্ৰগতি হৈছে তাক লৈ দুয়োগৰাকী নেতাই সন্তোষ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে ভাৰত-ভূটানৰ মাজৰ বিশেষ সম্পৰ্কৰ কথা উল্লেখ কৰি ভূটানৰ প্ৰধানমন্ত্ৰীক মহামাৰীৰ কাৰণে স্বাস্থ্য আৰু অৰ্থনৈতিক ক্ষেত্ৰত যি প্ৰভাৱ পৰিছে তাক হ্ৰাস কৰাৰ ক্ষেত্ৰত ভাৰতে সাম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে।

প্ৰধানমন্ত্ৰী মোডীয়ে লিয়নচেনৰ ৰজা ড. লোটে ছেৰিঙৰ আৰু নেপালবাসীৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভকামনা জনায়।

**নতুন দিল্লী**

**এপ্ৰিল 16, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.